**26T ACOU**

# 2016

# ACCOUNTANCY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

*Contd.*

1. (a) Fill in the blanks with appropriate wo 1×4=4

উপযুক্ত শব্দৰে খালী ঠাঁই পূৰণ কৰা ঃ

(i) In the absence of Partnership Deed, a Partner who advances money to the firm beyond the amount of his/her capital is entitled to get interest thereon at the rate of ________ % per annum as per Partnership Act, 1932.

অংশীদাৰী চুক্তিৰ অবিহনে, এজন অংশীদাৰে তেওঁৰ মূলধনৰ উপৰি যিখিনি অতিৰিক্ত অৰ্থ অংশীদাৰী প্ৰতিষ্ঠানলৈ আগবঢ়ায় তাৰ ওপৰত অংশীদাৰী আইন, ১৯৩২-ৰ মতে বছৰি ________ % হাৰে সুত পাব।

(ii) The members of a Partnership business are collectively known as ________ .

এখন অংশীদাৰী ব্যৱসায়ৰ সদস্যসকল যৌথভাৱে ________ নামে পৰিচিত।

(iii) The amount due to the retiring partner is transferred to his/her ________ Account in case it is not paid immediately.

অৱসৰগ্ৰহণকাৰী অংশীদাৰক দিবলগীয়া ধন যদি তৎক্ষণাৎ তেওঁক আদায় দিয়া নহয় তেনেহলে উক্ত ধনখিনি তেওঁৰ ________ হিচাপলৈ স্থানান্তৰিত কৰা হয়।

(iv) In case of fixed capital, a partner's Capital Account always shows a ________ balance.

স্থায়ী মূলধনৰ ক্ষেত্ৰত, এজন অংশীদাৰৰ মূলধন হিচাপ সদায় ________ উদ্বৃত্ত দেখুৱায়।

(b) Choose the correct alternative : 1×2=2

শুদ্ধ উত্তৰ বাছনি কৰা ঃ

(i) Financial Statements of a company include :

এটা কোম্পানীৰ বিত্তিয় বিবৃতিবোৰৰ মাজত অন্তৰ্ভুক্ত হৈ আছে ঃ

(1) Balance Sheet

উদ্বৃত্তপত্ৰ

(2) Profit and loss Account

লাভ-লোক্‌চান হিচাপ

(3) Cash flow Statement

নগদ ধনৰ প্ৰবাহৰ প্ৰতিবেদন

(4) All of the above

ওপৰৰ গোটেই কেইটা।

(ii) Profit and Loss Account is also known as ________ statement.

লাভ লোকচান হিচাপক ________ প্ৰতিবেদন বুলি জনা যায়।

(c) State whether the following statements are true *or* false : 1×2=2

তলৰ বাক্য কেইফাঁকি শুদ্ধ *নে* অশুদ্ধ লিখা ঃ

(i) Interest on Partners' Capital is debited to Partners' Capital Account.

অংশীদাৰৰ মূলধনৰ ওপৰত দিয়া সুত অংশীদাৰৰ মূলধন হিচাপত ডেবিট কৰা হয়।

(ii) Debenture holders are creditors of the Company.

ঋণপত্ৰধাৰক সকল কোম্পানীৰ পাওনাদাৰ।

2. State the meaning of Not-for-Profit Organization. 2

লাভ-নোলোৱা প্ৰতিষ্ঠানৰ অৰ্থ লিখা।

3. A and B are partners sharing profits in the ratio 3 : 2. C is admitted as a new partner for 1/5th share in the future profits. Calculate the new profit sharing ratio. 2

A আৰু B অংশীদাৰ দুজনে 3 : 2 অনুপাতে লাভ বণ্টন কৰে। ভৱিষ্যতৰ লাভৰ 1/5 ভাগ দিয়াৰ চৰ্তত C-ক নতুন অংশীদাৰ হিচাপে নিযুক্তি দিয়া হ'ল। ভৱিষ্যতৰ লাভ বণ্টনৰ অনুপাত নিৰ্ণয় কৰা।

4. Mention *any two* distinctions between shares and debentures. 2

অংশপত্ৰ আৰু ঋণপত্ৰৰ মাজত থকা *যিকোনো দুটা* পাৰ্থক্য উল্লেখ কৰা।

5. A Ltd. forfeited 500 shares of ₹ 10/- each, ₹ 8/- paid, for non-payment of final call of ₹ 2/- each.

Give journal entry of forfeiture of share. 2

A Ltd.-এ 8/- টকাকৈ তলবপ্ৰাপ্ত 500 খন 10/- টকীয়া অংশপত্ৰ চূড়ান্ত তলব 2/- টকাকৈ আদায় নোপোৱাৰ কাৰণে বাজেয়াপ্ত কৰে। জাবেদা প্ৰৱিষ্টি বাজেয়াপ্ত কৰণৰ ওপৰত কৰা।

6. A and B are partners in a firm sharing profits in the ratio of 3 : 2. Their capitals as on April, 1, 2014 were ₹ 2,00,000/- and ₹ 1,80,000/- respectively. On October 1, 2014, A introduced an additional capital of ₹ 50,000- and on January, 1, 2015, B introduced ₹ 70,000/-. Interest on capital is allowed at 10% p.a. Calculate interest on capital for both the partners for the year ending March, 31, 2015. 2

A আৰু B 3 : 2 অনুপাতে লাভ বন্টন কৰি এটা প্ৰতিষ্ঠানৰ অংশীদাৰ। এপ্ৰিল 1, 2014 তাৰিখে তেওঁলোকৰ মূলধনৰ পৰিমাণ আছিল ক্ৰমে 2,00,000/- টকা আৰু 1,80,000/- টকা। অতিৰিক্ত মূলধন হিচাপে অক্টোবৰ 1, 2014 তাৰিখে A 50,000/- টকা আৰু জানুৱাৰী 1, 2015 তাৰিখে B 70,000/- টকা প্ৰতিষ্ঠানলৈ আদায় দিয়ে। মূলধনৰ ওপৰত সুত বছৰি 10% হাৰে মঞ্জুৰ কৰা হয়। মাৰ্চ 31, 2015 তাৰিখে অন্তপৰা বছৰটোৰ বাবে উভয় অংশীদাৰৰ মূলধনৰ ওপৰত সুত নিৰ্ণয় কৰা।

7. Explain *any three* objectives of preparing a Cash Flow statement. 1×3=3

নগদ প্ৰবাহ প্ৰতিবেদন প্ৰস্তুত কৰাৰ *যিকোনো তিনিটা* উদ্দেশ্য লিখা।

**OR / নাইবা**

From the following details, calculate Current Ratio and Liquid Ratio : 3

তলত দিয়া তথ্যৰ পৰা চলিত অনুপাত আৰু তৰল অনুপাত নিৰ্ণয় কৰা ঃ

| | |
|---|---|
| Machinery<br>যন্ত্ৰপাতি | 1,00,000/- |
| 8% Debenture<br>8% ঋণপত্ৰ | 80,000/- |
| Bank Overdraft<br>বেংক অ'ভাৰড্ৰাফ্ট্ | 20,000/- |
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 76,000/- |
| Prepaid Expenses<br>অগ্ৰীম প্ৰদত্ত খৰচ | 4,000/- |
| Stock<br>মজুত পণ্য | 80,000/- |
| Sundry Debtors<br>বিবিধ দেনাদাৰ | 1,00,000/- |

8. Mention *any three* items that can be shown under the heading "Reserves & Surplus" in a company's Balance Sheet. 1×3=3

কোম্পানীৰ উদ্বৃত্তপত্ৰৰ "Reserves & Surplus" শিতানত দেখুৱাব পৰা *যিকোনো তিনিটা* বিষয় উল্লেখ কৰা।

***OR / নাইবা***

Give *three* objectives of financial statement analysis. 1×3=3

বিত্তীয় প্ৰতিবেদন বিশ্লেষণৰ *তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

9. What is meant by Comparative Statements? What do they show? 1+2=3

তুলনামূলক প্ৰতিবেদন কি? সেইবোৰে কি দেখুৱায়?

***OR / নাইবা***

Explain the Capitalization method of valuation of Goodwill. 3

সুনামৰ মূল্যায়ণৰ মূলধনীকৰণ পদ্ধতিটো ব্যাখ্যা কৰা।

10. Mention *any three* distinctions between Fund-based Accounting and Non-fund based Accounting. 1×3=3

পূঁজি-ভিত্তিক হিচাপকৰণ আৰু অ-পূঁজি-ভিত্তিক হিচাপকৰণৰ মাজত থকা *যিকোনো তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

***OR / নাইবা***

Mention *three* features of a non-trading organisation. 1×3=3

এখন অব্যৱসায়িক প্ৰতিষ্ঠানৰ *তিনিটা* বৈশিষ্ট্য উল্লেখ কৰা।

11. Mention *any three* limitations of Financial Statements. 1×3=3

বিত্তিয় প্ৰতিবেদনৰ *যিকোনো তিনিটা* সীমাবদ্ধতা উল্লেখ কৰা।

12. From the following Receipts and Payments Account for the year ended 31st December, 2015 and other details of the Sankardev Club, prepare an Income and Expenditure Account for the year ended 31st December, 2015 : 5

31 ডিচেম্বৰ, 2015 তাৰিখে অন্তপৰা বছৰটোৰ বাবে তলত দিয়া Sankardev Club-ৰ জমা আৰু খৰচ হিচাপ আৰু অন্যান্য তথ্যৰ পৰা 31 ডিচেম্বৰ, 2015 তাৰিখত অন্তপৰা বছৰটোৰ বাবে আয়-ব্যয় হিচাপ প্ৰস্তুত কৰা ঃ

## Recepits and Payments Account

জমা আৰু খৰচ হিচাপ

| Recepits (জমা) | (₹) | Payments (খৰচ) | (₹) |
|---|---|---|---|
| Cash in hand on 1.1.15<br>1.1.15 তাৰিখত হাতে থকা নগদ ধন | 12,000 | Salaries<br>দৰমহা | 14,000 |
| Subscriptions :<br>বৰঙনি ঃ<br>2014=900<br>2015=20,000<br>2016=2,000 | 22,900 | Honourarium<br>মাননী | 3,000 |
| | | Travelling Expenses<br>ভ্ৰমণৰ খৰচ | 2,000 |
| | | Sports Expenses<br>খেলাৰ খৰচ | 5,000 |
| Sale of Newspapers<br>বাতৰি কাকতৰ বিক্ৰি | 100 | Investments<br>বিনিয়োগ | 10,000 |
| Life Membership Fees<br>আজীৱন সদস্য মাচুল | 5,000 | Construction of Buildings<br>ভৱনৰ নিৰ্মাণ | 7,000 |
| Donation<br>দান | 6,000 | Rent<br>ভাৰা | 2,000 |
| Donation for Buildings<br>ভৱনৰ বাবে দান | 8,000 | Scholarship<br>জলপানি | 1,000 |
| Interest<br>সুত | 200 | Cash in hand on 31-12-15<br>31-12-15 তাৰিখে<br>হাতত থকা নগদ ধন | 13,200 |
| Maintenance Grant<br>চলোৱাৰ বাবে মঞ্জুৰী | 3,000 | | |
| | 57,200 | | 57,200 |

**Additional Information :**

অতিৰিক্ত তথ্য ঃ

*(i)* Outstanding Subscription ₹ 2,500/-
পাবলগীয়া বৰঙনি

*(ii)* Outstanding Salaries ₹ 1,000/-
দিবলগীয়া দৰমহা

(iii) Subscription for 2015 ₹ 400/- received in 2014.
2015 চনৰ বৰঙনি 400/- টকা 2014 চনত পোৱা হৈছিল।

**OR / নাইবা**

Mention *any five* distinctions between Receipts and Payments Account and Income and Expenditure Account. 5

আয় ব্যয় আৰু প্ৰাপ্তি খৰচৰ মাজৰ *যিকোনো পাঁচটা* পাৰ্থক্য উল্লেখ কৰা।

13. From the following details, calculate cash from Investing and Financing Activities : 5

তলত দিয়া তথ্যবোৰৰ পৰা বিনিয়োগ আৰু বিত্তযোগান কাৰ্য্যক্ৰমৰ পৰা নগদ ধনৰ প্ৰবাহ নিৰ্ণয় কৰা ঃ

| **Particulars** (বিবৰণ) | **1-4-2014** (₹) | **31-3-2015** (₹) |
|---|---|---|
| Machinery at Cost<br>ক্ৰয়মূল্যত যন্ত্ৰপাতি | 60,000 | 75,000 |
| Accumulated Depreciation<br>পুঞ্জিভূত অৱক্ষয় | 15,000 | 18,000 |
| Capital<br>মূলধন | 45,000 | 52,500 |
| Bank Loan<br>বেংক ঋণ | 15,000 | — |

During the year, machinery costing ₹ 15,000/- was sold at a loss of ₹ 3,000. Depreciation on machinery charges during the year amounted to ₹ 9,000.

বছৰটোৰ মাজত, 15,000/- টকা ক্ৰয়মূল্যৰ যন্ত্ৰপাতি 3,000/- টকা লোকচানত বিক্ৰী কৰা হ'ল আৰু যন্ত্ৰপাতিৰ ওপৰত বছৰটোৰ বাবে 9,000/- টকা অৱক্ষয় ধাৰ্য্য কৰা হ'ল।

**OR / নাইবা**

Explain *any five* advantages of Cash Flow Statement. 1×5=5

নগদধনৰ প্ৰবাহ প্ৰতিবেদনৰ *যিকোনো পাঁচটা* সুবিধা ব্যাখ্যা কৰা।

14. From the following details, calculate Gross Profit and Sales : 2½×2=5

তলত দিয়া তথ্যবোৰৰ পৰা মুঠ লাভ আৰু বিক্ৰি নিৰ্ণয় কৰা ঃ

Average Stock = ₹ 60,000/-
গড় মজুত পণ্য

Stock Turnover Ratio = 6 times
মজুত পণ্যৰ আৱৰ্তনৰ অনুপাত

Selling Price is 20% above cost
বিক্ৰয়মূল্য ক্ৰয়মূল্যতকৈ 20% ওপৰত।

**OR / নাইবা**

Name *any five* ratios used for analysing the liquidity position of a Firm. 1×5=5

এখন প্ৰতিষ্ঠানৰ তৰলতা অৱস্থা বিশ্লেষণ কৰোঁতে ব্যৱহাৰ কৰা অনুপাতসমূহৰ *যিকোনো পাঁচটা* অনুপাত লিখা।

15. Partha, Pranoy and Prasanna are partners sharing profits and losses in the ratio of 3 : 2 : 1. On 31st March, 2015, their Balance Sheet stood as follows :
পাৰ্থ, প্ৰণয় আৰু প্ৰসন্ন 3 : 2 : 1 অনুপাতে লাভ আৰু লোকচান বন্টন কৰি এটা প্ৰতিষ্ঠানৰ অংশীদাৰ। 31 মাৰ্চ, 2015 তাৰিখে তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াদৰে আছিল ঃ

| **Liabilities** (দেনা) | (₹) | **Assets** (সম্পত্তি) | (₹) |
|---|---|---|---|
| Capitals :<br>মূলধন ঃ | | Buildings<br>ভৱন | 90,000 |
| Partha : 80,000/-<br>পাৰ্থ | | Plant & Machinery<br>কলকব্জা আৰু যন্ত্ৰপাতি | 86,000 |
| Pranoy : 60,000/-<br>প্ৰণয় | | Inventory<br>মজুত পণ্য | 50,000 |
| Prasanna : 50,000/-<br>প্ৰসন্ন | 1,90,000 | Debtors<br>দেনাদাৰ | 31,000 |
| General Reserve<br>সাধাৰণ পুঁজি | 24,000 | Bank<br>বেংক | 5,000 |
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 48,000 | | |
| | 2,62,000 | | 2,62,000 |

Pranoy retires on that date under the following terms :

উক্ত তাৰিখত Pronoy তলত দিয়া চৰ্তমতে অৱসৰ গ্ৰহণ কৰে ঃ

*(i)* The Goodwill of the firm is valued at ₹ 36,000/-.
প্ৰতিষ্ঠানৰ সুনাম 36,000/- টকাত মূল্যায়ন কৰা হয়।

*(ii)* Plant and Machinery is to be depreciated by 10%.
কলকব্জা আৰু যন্ত্ৰপাতিৰ অৱক্ষয় শতকৰা 10% হাৰে ধাৰ্য্য কৰা হ'ল।

*(iii)* Inventory and Buildings are to be appreciated by 20% and 10% respectively.
মজুত পণ্য আৰু ভৱনৰ মূল্য যথাক্ৰমে 20% আৰু 10% হাৰে বৃদ্ধি কৰা হ'ব।

Give necessry journal entries in the books of the firm. 5
প্ৰতিষ্ঠানৰ বহীত আৱশ্যকীয় জাবেদা প্ৰৱিষ্টি দিয়া।

***OR / নাইবা***

Explain the procedure of forfeiture of shares. 5

অংশপত্ৰৰ বাজেয়াপ্ত কৰাৰ পদ্ধতি ব্যাখ্যা কৰা।

16. Anupam, Binoy and Chandan were partners in a firm sharing profits in the ratio of 2 : 3 : 5. On 31st March, 2014, their Balance Sheet was as follows :
অনুপম, বিনয় আৰু চন্দন 2 : 3 : 5 অনুপাতত লাভ বন্টন কৰি এটা অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। 31 মাৰ্চ, 2014 তাৰিখত তেওঁলোকৰ স্থিতিপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet** (স্থিতিপত্ৰ)

| **Liabilities** (দেনা) | (₹) | **Assets** (সম্পত্তি) | (₹) |
|---|---|---|---|
| Capital :<br>মূলধন ঃ | | Cash at Bank<br>বেংকত থকা নগদ ধন | 16,000 |
| Anupam = 60,000/-<br>অনুপম | | Debtors<br>দেনাদাৰ | 30,000 |
| Binoy = 50,000/-<br>বিনয় | | Bills Receivable<br>পাবলগীয়া বিল | 8,000 |
| Chandan = 30,000/-<br>চন্দন | 1,40,000 | Stock<br>মজুত পণ্য | 20,000 |
| Reserves<br>পুঁজি | 12,000 | Furniture<br>আচবাব্ | 60,000 |
| Creditors<br>পাওনাদাৰ | 20,000 | Machinery<br>যন্ত্ৰপাতি | 40,000 |
| Bills Payable<br>দিবলগীয়া বিল | 2,000 | | |
| TOTAL | 1,74,000 | TOTAL | 1,74,000 |

Anupam died on 1st October, 2014. It was agreed between his executors and the remaining partners that :

1 অক্টোবৰ, 2014 তাৰিখে Anupam-ৰ মৃত্যু হয়। তেওঁৰ উত্তৰাধিকাৰী আৰু অৱশিষ্ট অংশীদাৰ সকলৰ মাজত চুক্তি হয় যে ঃ

*(i)* Goodwill will be valued at 3 years purchase of the average profits of the last four years which were :

সুনামৰ মূল্য বিগত চাৰি বছৰৰ গড় লাভৰ 3 বছৰৰ ক্ৰয়ৰ ওপৰত নিৰ্দ্ধাৰণ কৰা হ'ব। বিগত চাৰি বছৰৰ লাভ এনে ধৰণৰ ঃ

| **Year/চন** | **Profit/লাভ** (₹) |
|---|---|
| 2010-11 | 30,000/- |
| 2011-12 | 40,000/- |
| 2012-13 | 40,000/- |
| 2013-14 | 40,000/- |

*(ii)* Machinery and Furniture be valued at ₹ 36,000/- and ₹ 56,000/- respectively.

যন্ত্ৰপাতি আৰু আচ্‌বাবৰ মূল্য যথাক্ৰমে 36,000/- টকা আৰু 56,000/- টকা ধাৰ্য্য কৰা হ'ব।

*(iii)* Profit for the year 2014-15 be taken as having accrued at the same rate as that of the previous year.

2014-15 চনৰ লাভ বিগত বছৰৰ সমহাৰত হ'ব বুলি ধৰা হৈছে।

*(iv)* Interest on capital be provided at 10% p.a.

মূলধনৰ ওপৰত সুত বছৰি শতকৰা 10% ধৰা হ'ব।

*(v)* The amount due to Anupam shall be transferred to his Executors' Loan Account.

Anupam-ক দিবলগীয়া ধনখিনি তেওঁৰ উত্তৰাধিকাৰীৰ ঋণ হিচাপলৈ স্থানান্তৰ কৰা হ'ব।

Prepare Anupam's Capital Account as on the date of his death. 5

Anupam-ৰ মৃত্যুৰ তাৰিখত তেওঁৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

**OR / নাইবা**

What are the causes of retirement of a Partner from a Partnership firm *(Any five* causes) 1×5=5

অংশীদাৰী প্ৰতিষ্ঠানৰ পৰা এজন অংশীদাৰে অৱসৰ লোৱাৰ কাৰণসমূহ কি কি (*পাঁচটা* কাৰণ উল্লেখ কৰা)।

17. R, M and H were in partnership sharing profits and losses in the ratio of 8 : 5 : 3 respectively. The firm's balance sheet as on 31st March, 2015 was as under :

R, M আৰু H 8 : 5 : 3 অনুপাতত লাভ আৰু লোক্‌চান্ বন্টন কৰি এটা অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। 31 মাৰ্চ, 2015 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet**

(উদ্বৃত্তপত্ৰ)

| **Liabilities** (দেনা) | (₹) | **Assets** (সম্পত্তি) | (₹) |
|---|---|---|---|
| Capital :<br>মূলধন ঃ<br>R = 5,000/-<br>M = 2,000/-<br>H = 1,000/- | 8,000 | Current Account :<br>চলিত হিচাপ ঃ<br>R = 2,195/-<br>M = 1,733/-<br>H = 1,520/- | 5,448 |
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 2,953 | Machinery<br>যন্ত্ৰপাতি | 1,050 |
| Bank Loan<br>বেংক ঋণ | 5,500 | Stock<br>মজুত পণ্য | 6,059 |
| | | Sundry Debtors<br>বিবিধ দেনাদাৰ | 3,572 |
| | | Cash<br>নগদ ধন | 324 |
| | 16,453 | | 16,453 |

It was resolved to dissolve the partnership as on that date. The assets were realised as follows :

উক্ত তাৰিখত প্ৰতিষ্ঠানটো অবসায়ন কৰাৰ সিদ্ধান্ত লোৱা হ'ল। সম্পত্তিবোৰ তলত দিয়াৰ দৰে আদায়ীকৃত হৈছিল ঃ

| | |
|---|---|
| Machinery<br>যন্ত্ৰপাতি | ₹ 600/- |
| Stock<br>মজুত পণ্য | ₹ 5,230/- |
| Sundry Debtors<br>বিবিধ দেনাদাৰ | ₹ 3,555/- |

Prepare Realisation Account. 5

আদায়কৰণ হিচাপ প্ৰস্তুত কৰা।

***OR / নাইবা***

What do you mean by dissolution of a Partnership ? State *three* grounds for dissolution of Partnership. 2+3=5

অংশীদাৰী পৰিসমাপ্তি বুলিলে কি বুজা? অংশীদাৰী পৰিসমাপ্তিৰ *তিনিটা* পৰিস্থিতি উল্লেখ কৰা।

18. Give the new format of the Balance Sheet of a Company (main headings only) as per the requirements of revised Schedule-VI of the Companies Act, 1956. 5

1956 চনৰ কোম্পানী আইনৰ পৰিশোধিত তালিকা-VI অনুসৰি এখন কোম্পানীৰ উদ্বৃত্তপত্ৰৰ নতুন আকাৰটো (কেৱল মুখ্য শিতানসমূহ) উল্লেখ কৰা।

***OR / নাইবা***

How would you compute the amount due to a deceased Partner's Executor ? 5

এজন মৃত অংশীদাৰৰ উত্তৰাধিকাৰীয়ে পাবলগীয়া টকা কেনেকৈ নিৰ্দ্ধাৰণ কৰিবা?

19. Following is the Trial Balance of SUDIP and PRADIP as on 31st March, 2015 :

31st March, 2015 তাৰিখত সুদীপ আৰু প্ৰদীপ-ৰ উদ্বৃত্ত মিলনপত্ৰখন তলত দিয়াৰ দৰে আছিল ঃ

**Dr.** | **Cr.**

| **Particulars**<br>**(বিৱৰণ)** | (₹) | **Particulars**<br>**(বিৱৰণ)** | (₹) |
|---|---|---|---|
| Plant and Machinery<br>কলকজা আৰু যন্ত্ৰপাতি | 35,000 | Capital Accounts :<br>মূলধন হিচাপ ঃ<br>Sudip - 50,000<br>সুদীপ<br>Pradip - 30,000<br>প্ৰদীপ | 80,000 |
| Publicity<br>বিজ্ঞাপন | 5,000 | Trading Account<br>ক্ৰয় বিক্ৰয় হিচাপ<br>— Gross Profit<br>— মুঠ লাভ | 85,700 |
| Freight on Sales<br>বিক্ৰীৰ পৰিবহন খৰচ | 2,140 | Creditors<br>পাওনাদাৰ | 44,560 |
| Buildings<br>ভৱন | 69,000 | Bank Loan<br>বেংক ঋণ | 21,000 |
| Goodwill<br>সুনাম | 15,000 | Commission<br>দস্তুৰী | 4,420 |
| Sundry Debtors<br>বিবিধ দেনাদাৰ | 48,200 | Outstanding Freight<br>অপ্ৰদত্ত পৰিবহণ খৰচ | 200 |
| Bad debt<br>অনুদ্ধাৰণীয় ঋণ | 1,400 | Provision for doubtful debt<br>সন্দেহমূলক ঋণ পুঁজি | 1,000 |
| Cash at Bank<br>বেংকত থকা নগদ ধন | 5,620 | Bills Payable<br>দিবলগীয়া বিল | 7,000 |
| Investments<br>বিনিয়োগ | 10,000 | | |
| Cash in hand<br>হাতত থকা নগদ ধন | 170 | | |
| Salaries<br>দৰমহা | 28,850 | | |
| Stock<br>মজুত পণ্য | 10,000 | | |
| General Expenses<br>সাধাৰণ খৰচ | 5,500 | | |
| Drawings :<br>আহৰণ ঃ<br>Sudip = 5,000<br>সুদীপ<br>Pradip = 3,000<br>প্ৰদীপ | 8,000 | | |
| | 2,43,880 | | 2,43,880 |

Prepare the Profit & Loss Account and the Profit & Loss Appropriation Account of the firm for the year ended 31st March, 2015 and a Balance sheet as on that date after taking into consideration the following additional information: 8

তলত দিয়া অতিৰিক্ত তথ্যসমূহ বিবেচনা কৰি 31 মাৰ্চ 2015 তাৰিখত অন্তঃপৰা বছৰটোৰ বাবে লাভ-লোকচান হিচাপ আৰু লাভ-লোকচান্ উপযোজন হিচাপ আৰু উক্ত তাৰিখত প্ৰতিষ্ঠানটোৰ উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা ঃ

*(i)* Depreciate Plant & Machinery @ 10% p.a.
বছৰি 10% হাৰে কলকব্জা আৰু যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয় ধৰা।

*(ii)* Prepaid Publicity ₹ 500/-
অগ্ৰীম প্ৰদত্ত বিজ্ঞাপন খৰচ

*(iii)* Outstanding Salaries ₹ 1,150/-
অপ্ৰদত্ত দৰমহা

*(iv)* Provide for doubtful debt @ 5% on Sundry Debtors
বিভিন্ন দেনাদাৰৰ ওপৰত 5% হাৰে অনুদ্ধাৰণীয় ঋণ পুঁজিৰ ভবিষ্যত্ ব্যৱস্থা কৰা

*(v)* Partners will get interest on capital @ 5% p.a.
অংশীদাৰসকলে বছৰি 5% হাৰে মূলধনৰ ওপৰত সুত পাব।

20. Assam Tea Limited has an authorised capital of ₹ 10,00,000/- divided into ₹ 1,00,000 equity shares of ₹10/- each. The directors decided to issue 50,000 shares to the public at a premium of 10% payable as follows :

আসাম টি লিমিটেড-ৰ অনুমোদিত মূলধন আছিল 10,00,000/- টকা যি প্ৰতিখন 10/- টকা মূল্যৰ 1,00,000 খন ইকুইটি অংশপত্ৰত ভাগ কৰা হৈছিল। সঞ্চালকসকলে 50,000টা অংশপত্ৰ 10% অধিহাৰত বিলি কৰে তলত দিয়া কিস্তি মতে ঃ

On Application ₹ 3/-
আবেদনৰ লগত

On Allotment (including premium) ₹ 5/-
বণ্টনৰ লগত (অধিহাৰ সহ)

and the balance on 1st and final call.
আৰু বাকীবিনি প্ৰথম আৰু চূড়ান্ত তলবত।

The company received applications for 60,000 shares. The directors decided to reject the excess applications and the money thereon was refunded. All the shares were duly subscribed for, called up and paid up.

Give journal entries and prepare a Cash Book in the books of the Company. 8

কোম্পানীয়ে 60,000 অংশৰ আবেদন পায়। সঞ্চালক সকলে অতিৰিক্ত আবেদন সমূহ অগ্ৰাহ্য কৰে আৰু তাৰ বাবে আৱশ্যকীয় টকা ফিৰৎ দিয়ে। তলববোৰ কৰা হয় আৰু টকাখিনি প্ৰাপ্ত হয়।

কোম্পানীৰ বহীত জাবেদা প্ৰবিষ্ঠি দিয়া আৰু ৰোকৰ বহী প্ৰস্তুত কৰা।

*OR / নাইবা*

Write short notes on : 2×4=8

চমু টোকা লিখা ঃ

(*a*) Call in Arrear
বাকী তলবী অৰ্থ

(*b*) Calls in Advance
অগ্ৰীম তলবী অৰ্থ

(*c*) Preference Share
অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ

(*d*) Right share
অধিকাৰ সাপেক্ষ অংশপত্ৰ

21. Tata Motors Ltd. invited applications for the issue of 3,000, 10% debentures of ₹ 100/- each at a discount of 10% payable ₹ 30/- on application, ₹ 30/- on allotment (after deducting discount) and the balance on first and final call. All the debentures were subscribed and the debenture money was duly called and paid up.

Give journal entries and show how Debentures Account will be shown in the Balance Sheet of the Company. 8

টটা মটৰ লিমিটেড্-এ 3,000টা 100/- টকীয়া 10% ঋণপত্ৰৰ বাবে আবেদন বিচাৰে। ঋণপত্ৰসমূহ 10% বাট্টাত বিলি কৰা হ'ব য'ত আবেদনৰ বাবে 30/- টকা, আবন্টনৰ বাবে 30/- টকা (বাট্টা বাদ দিয়াৰ পিছত) আৰু বাকী অৱশিষ্ট পৰিমাণ প্ৰথম আৰু চূড়ান্ত তলবত আদায় দিব লাগিব। আটাইবোৰ ঋণপত্ৰৰ বাবে আবেদন আহে আৰু ঋণপত্ৰৰ বাবে আৱশ্যকীয় তলব কৰাৰ পাছত সকলো ধন প্ৰাপ্ত হয়।

জাবেদা প্ৰৱিষ্টি দিয়া আৰু কোম্পানীৰ উদ্বৃত্তপত্ৰত ঋণপত্ৰসমূহ কেনে ধৰণে দেখুৱাব লাগিব দেখুওৱা।

***OR / নাইবা***

Give the accounting entries for issue of debentures under different situations with imaginary figures. (*Any four* situations) 2×4=8

বিভিন্ন পৰিস্থিতিত বিলি কৰা ঋণপত্ৰৰ হিচাপ সম্পৰ্কীয় প্ৰৱিষ্টিসমূহ কাল্পনিক টকাৰ অঙ্কৰে দেখুওৱা। (*যিকোনো চাৰিটা* পৰিস্থিতিও)

22. A and B are two partners sharing profits and losses in the ratio of 3 : 2. Their Balance Sheet as on 31st March, 2015 was as follows :

A আৰু B 3 : 2 অনুপাতত লাভ আৰু লোকচান্ বন্টন কৰি দুজন অংশীদাৰ। 31 মাৰ্চ, 2015 তাৰিখে তেওঁলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়াৰ দৰে আছিল ঃ

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Capital :<br>মূলধন ঃ<br>A=30,000<br>B=25,000 | 55,000 | Land and Buildings<br>ভূমি আৰু ভৱন | 30,000 |
| | | Plant & Machinery<br>কলকব্জা আৰু যন্ত্ৰপাতি | 20,000 |
| General Reserve<br>সাধাৰণ পুঁজি | 5,000 | Furniture<br>আচবাব্ | 10,000 |
| Sudnry Creditors<br>বিবিধ পাওনাদাৰ | 15,000 | Stock<br>মজুত পণ্য | 5,000 |
| | | Debtors<br>দেনাদাৰ | 8,000 |
| | | Cash in hand<br>হাতত থকা নগদ ধন | 2,000 |
| | 75,000 | | 75,000 |

On 01-4-2015, C was admitted as a new partner for 1/4th share in the future profits on the following conditions :

01-4-2015 তাৰিখত, তলত দিয়া চৰ্ত সাপেক্ষে আৰু ভৱিষ্যতৰ লাভৰ 1/4 অংশৰ বাবে C-ক এজন নতুন অংশীদাৰ হিচাপে নিযুক্তি দিয়া হ'ল ঃ

*(i)* C will bring ₹ 20,000/- as Capital and ₹ 6,000 as premium for goodwill.

C-য়ে মূলধন হিচাপে 20,000/- টকা আৰু সুনামৰ বাবে 6,000/- টকা আনিব।

*(ii)* The Land and Buildings will be revalued at ₹ 35,000/-

ভূমি আৰু ভৱন 35,000/- টকাত পুনৰ্মূল্যায়ণ কৰা হ'ব।

*(iii)* Plant and Machinery and Furniture will be depreciated by 5% and 10% respectively.

কলকব্জা আৰু যন্ত্ৰপাতিৰ ওপৰত 5% আৰু আচবাবৰ ওপৰত 10% হাৰত অৱক্ষয় ধৰা হ'ব।

*(iv)* Stock will be reduced by ₹ 2,000/-

মজুতপণ্যৰ মূল্য 2,000/- টকা হ্ৰাস কৰা হ'ব।

Give journal entries and prepare the Balance Sheet of the firm after C's admission. 6+2=8

জাবেদা প্ৰৱিষ্টি দিয়া আৰু C-ৰ নিযুক্তিৰ পিছত প্ৰতিষ্ঠানটোৰ উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা।

*OR / নাইবা*

Give the Accounting entries relating to forfeiture and re-issue of shares with imaginary figures. 8

কাল্পনিক টকাৰ অংকৰে অংশপত্ৰ বাজেয়াপ্ত আৰু পুনৰ বিলি সন্দৰ্ভত হিচাব বহীত প্ৰৱিষ্টি দিয়া।

———×———